# কৃতজ্ঞতা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত ছাত্ৰী হিচাপে গৱেষণা কৰিবলৈ সুযোগ লাভ কৰি নিজকে সৌভাগ্যৱান অনুভৱ কৰিছোঁ। গৱেষণামূলক অধ্যয়নৰ ছাত্ৰী হিচাপে নামভৰ্ত্তি কৰাৰ সুবিধা দিয়াৰ বাবে বিভাগীয় প্ৰাক্তন মুৰব্বী অধ্যাপক প্ৰয়াত ড° প্ৰদীপ হাজৰিকা ছাৰলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ। বৰ্তমানৰ ভাৰপ্ৰাপ্ত বিভাগীয় প্ৰধান শ্যামলীদলৈ বাইদেউৰ উৎসাহ, অনুপ্ৰেৰণা আৰু উপদেশ আমাৰ বাবে আৰ্শীবাদ স্বৰূপ। তেখেতলৈ এই ছেগতে শ্ৰদ্ধা নিবেদিছোঁ। আমাৰ গৱেষণাৰ তত্ত্বাৱধায়িকা ড° কৰবী ডেকা হাজৰিকা বাইদেউৰ দিহা-পৰামৰ্শ তথা উপদেশ শিৰোধাৰ্য কৰি আমি গৱেষণাৰ প্ৰতিটো ঢাপ অতিক্ৰম কৰিলোঁ। বাইদেউলৈ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিলোঁ।

অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ শীৰ্ষক বিষয়টিত গৱেষণা কৰোঁতে প্ৰতিটো ভুল-ত্ৰুটি আঙুলিয়াই দি বিভিন্ন উপদেশ, উৎসাহ, অনুপ্ৰেৰণাৰে উৎসাহিত কৰা বিশ্ববিদ্যালয়ৰ সন্মানীয় প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা ছাৰ আৰু পঞ্জীয়ক ড° ৰাতুল চন্দ্ৰ বৰা ছাৰৰ ঋণ পৰিশোধনৰ চেষ্টা আমাৰ বাবে ধৃষ্টতা মাথোন। ছাৰলৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। সততে দিহা পৰামৰ্শ আগবঢ়োৱা অসমীয়া বিভাগৰ প্ৰাক্তন সহকাৰী অধ্যাপক/অধ্যাপিকা ড° লভিতা দত্ত, ড° চম্পক শইকীয়া, ড° যাদৱেন্দ্ৰ বৰা, ড° বিজয়কৃষ্ণ দলে ছাৰলৈ আন্তৰিক কৃতজ্ঞতা যাঁচিলো। অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা ড° চন্দ্ৰকমল চেতিয়া, ড° শ্বাহিন জাফ্ৰি, ড° ৰূপম বৰঠাকুৰৰ পৰাও বিষয়টিৰ সৰ্ন্দভত বিভিন্ন গঠনমূলক পৰামৰ্শ আৰু সহযোগিতা লাভ কৰি আহিছোঁ। বিশ্ববিদ্যালয়ৰ যোগ বিভাগৰ শ্ৰদ্ধাৰ বলিনাৰায়ণ ফুকন ছাৰ, শঙ্কৰদেৱ অধ্যয়ন বিভাগৰ ড° দয়ানন্দ পাঠক ছাৰ, ড° কৈলাশ দাস ছাৰৰ বহুমূলীয়া পৰামৰ্শই মোক কৃতাৰ্থ কৰিলে। সকলোৰে দিহা-পৰামৰ্শই আমাৰ গৱেষণা কাৰ্যৰ সফলতা নিৰ্দ্ধাৰিত কৰিছে।

যি সকল পৌৰাণিক গ্ৰন্থ সংগ্ৰাহক তথা সংকলক আৰু প্ৰকাশকৰ ধৈৰ্যশীল ঐকান্তিক প্ৰচেষ্টাত মূল উৎসৰূপে লোৱা কীৰ্তন-ঘোষা পুথিখনিয়ে ছপাৰূপ লাভ কৰিবলৈ সক্ষম হৈছে; তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সহায় লোৱা বিভিন্ন প্ৰাসংগিক গ্ৰন্থ, আলোচনীৰ ৰচক, সম্পাদক, প্ৰকাশক গোষ্ঠী, পুথিভঁৰাল আদিৰ ওপৰতো কৃতজ্ঞ হৈ ৰ'লো। ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে যোৱা নামঘৰ সমূহ আৰু তাত জড়িত বিভিন্ন ব্যক্তিসকলকো এই ছেগতে কৃতজ্ঞতা জনালোঁ।

গৱেষণা কাৰ্যত তথ্যপাতি সংগ্ৰহৰ ক্ষেত্ৰত সহায় সহযোগ আগবঢ়োৱা কুৰুৱাবাহী সত্ৰৰ সন্মানীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰী গোপাল চন্দ্ৰ দেৱগোস্বামী, শ্ৰীমন্ত শঙ্কৰদেৱ সংগীত মহাবিদ্যালয় (নগাঁও)ৰ অধ্যক্ষ

অলিম মহন্ত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ নগাঁও জিলা শাখাৰ উপদেষ্টা শ্ৰী নলিনী বৰা, সভাপতি শ্ৰী জ্যোতিপ্ৰসাদ ভূএগ্ৰা আৰু নামাচাৰ্য শ্ৰী পুষ্পকান্ত বৰা, বোকাখাত জিলা শাখাৰ চন্দ্ৰকান্ত ভূএগ্ৰা — সকলোলৈকে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

প্ৰাসঙ্গিক গ্ৰন্থৰ বাবে সহায় লোৱা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থগাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা পুথিভঁৰাল, নগাঁও জিলা পুথিভঁৰাল, তেজপুৰ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থগাৰ আদিৰ লগত বিশেষভাৱে জড়িত কৰ্তৃপক্ষ আৰু কৰ্মচাৰীৰ শলাগ ল'লো। তেওঁলোকৰ সহায়-সহযোগিতা অবিহনে আমাৰ গৱেষণা কাৰ্যক পূৰ্ণ ৰূপ দিবলৈ অসমৰ্থ হ'লোহেঁতেন। তেওঁলোকলৈ আন্তৰিকতা জনালোঁ।

গৱেষণা কাৰ্যত বিশেষভাৱে তথ্য-পাতি সংগ্ৰহৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা জে.ডি.এচ.জি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° অৰুণ বৰা ছাৰ, কমাৰগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক শোভন শইকীয়া ছাৰলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। এই ক্ষেত্ৰত সহায় আগবঢ়োৱা ৰজাবাৰী হাই স্কুলৰ প্ৰাক্তন শিক্ষক সুষময় পুৰকায়স্থ, শঙ্কৰদেৱ শিশু বিদ্যানিকেতন ৰজাবাৰীৰ আচাৰ্য শ্ৰী ফাল্গুন উপাধ্যায় আৰু শংকৰদেৱ শিশু বিদ্যা নিকেতন বোকাখাতৰ প্ৰধান আচাৰ্য্য দিব্যজ্যোতি গোস্বামীৰ ওচৰতো কৃতজ্ঞ হৈ ৰ'লো।

সততে গবেষণাৰ দিশত বিভিন্ন গঠনমূলক পৰামৰ্শ আগবঢ়োৱা বিশ্ববিদ্যালয়ৰ সহঃ গৱেষক শ্ৰদ্ধাৰ সূৰ্য্যকান্ত হাজৰিকা ছাৰ, চিত্ৰা দুৰৰা, দিপ্তী বৰুৱা, মৌচুমী বৰুৱা, বীণা শইকীয়া, ৰূপাঞ্জলি দেৱী বাইদেউলৈ কৃতজ্ঞতা যাঁচিলো।

যাৰ একান্ত সদিচ্ছাই আমাৰ গৱেষণাৰ আশাক বাস্তৱ ৰূপ দিলে সেয়া পৰম শ্ৰদ্ধাৰ আইতা শ্ৰীযুতা হেমলতা দাস, পিতৃ শ্ৰী বিশ্বেশ্বৰ দাস আৰু মাতৃ দিপালী দাস, খুড়া শ্ৰী পৰমানন্দ দাস, পেহী ৰুণু দাসৰ লগতে মোক সততে উৎসাহ যোগোৱা মৰমৰ ভণ্টি দীপশিখা দাস আৰু ভনীজোঁৱাই অৰূপজ্যোতি দাসলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

'মা, তুমি আজি কেইপেজ লিখিলা তোমাৰ পি.এইচ.ডি.ৰ কামৰ?'- প্ৰতিদিনে সচেতন ভাৱে অভিজ্ঞজনৰ দৰে সকীয়াই থকা মোৰ আঠবছৰীয়া সন্তানটি (অবিনাশ)লৈকো অজস্ৰ মৰমভৰা কৃতজ্ঞতা জনাবলৈ যেন ভাষাৰ অভাৱ এই মুৰ্হূতত। কণমানি ভাগিন বীৰু আৰু বিভানৰ উচ্ছাহ ভৰা কথাবিলাকো এই সময়চোৱাৰ অতুলনীয় প্ৰেৰণা। গৱেষণা কাৰ্যত উৎসাহ যোগোৱা সহপাঠী বন্ধু ডিব্ৰুগড় বিশ্ববিদ্যালয়

ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা কেন্দ্ৰৰ সহকাৰী অধ্যাপক মৃণাল কুমাৰ বৰুৱা আৰু যাদৱ বৰালৈ কৃতজ্ঞতা যাচিলো। টেলিফোন যোগে সততে গৱেষণা কামত সহায়ক তথ্য দিয়াৰ লগতে অনুপ্ৰেৰণামূলক কথাৰে উৎসাহিত কৰা সাংবাদিক (দৈনিক অসম) বন্ধু বিক্ৰমাদিত্য দত্তকাকতিলৈকো আন্তৰিক কৃতজ্ঞতা যাঁচিলো।

শেষত গৱেষণা গ্ৰন্থখনি অক্ষৰ বিন্যাস আৰু মুদ্ৰনত সহায় কৰি দিয়াৰ বাবে বোকাখাত এন.চি.এচৰ স্বত্বাধিকাৰী পূৰ্বজ্যোতি শইকীয়াৰ লগতে সমূহ কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলো।

বিশ্বদীপা দাস

তাৰিখ ঃ ১০-০৬-২০২০ (বিশ্বদীপা দাস)